NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 17**-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাষা, সাহিত্য, শিল্প, আধ্যাত্মিকতাৰ দৰে সাংস্কৃতিক স্তম্ভসমূহে এটা জাতিৰ পৰিচয় গঢ় দিয়ে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত আৰু মলাৱিৰ মাজত সোহাৰ্দ্য আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষীক সম্পৰ্ক আছে বুলি প্ৰকাশ কৰিছে।

৩। উচ্চতম ন্যায়ালয়ে আজি সংখ্যাগৰিষ্ঠ ৰায়দানেৰে অসমত প্ৰব্ৰজনকাৰীসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ সৈতে জড়িত নাগৰিকত্ব আইনৰ ৬ (ক) ধাৰাৰ সাংবিধানিক বৈধতা বাহাল ৰাখে।

৪। বিজেপি নেতা নায়ব সিং ছইনিকে আজি দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত লয়।

*আৰু*

৫। ভাৰতৰ ৰিৱান কাপুৰে আই এছ্ এছ্ এফ বিশ্বকাপ ফাইনেল শ্যুটি প্ৰতিযোগিতাৰ পুৰুষৰ ট্ৰেপ শিতানত ৰূপৰ পদক অৰ্জন কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ভাষা, সাহিত্য, শিল্প, আধ্যাত্মিকতাৰ দৰে সাংস্কৃতিক স্তম্ভসমূহে এটা জাতিৰ পৰিচয় গঢ় দিয়ে। নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় অভিধম্মা দিৱস কাৰ্যসূচীত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে কয়। ভগৱান বুদ্ধৰ শিকনিসমূহৰ কথাও উল্লেখ কৰে তেওঁ কয় যে ভাৰতে অমৃত কাল নামেৰে পৰিচিত এটা পৰিৱৰ্তনশীল যাত্ৰা আৰম্ভ কৰিছে আৰু ২০৪৭ চনত এই যাত্ৰাৰ সামৰণি পৰিব। এই সময়ছোৱাত ভাৰত বিকশিত ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে কয় যে ভগৱান বুদ্ধৰ প্ৰজ্ঞাৰ দ্বাৰা অনুপ্ৰাণিত হৈ দেশৰ বিকাশৰ পৰিকল্পনাই অভুতপূৰ্ব আৰু ইতিবাচক পৰিৱৰ্তনৰ সূচনা কৰিব। তেওঁ কয় যে বুদ্ধৰ কালজয়ী শিকনিসমূহ অনুসৰণ কৰি দেশে উন্নতিৰ নতুন পথৰ সূচনা কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ যুৱক-যুৱতীসকলক বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত বিশ্বক আগুৱাই নিয়াৰ সমান্তৰালকৈ নিজৰ সংস্কৃতি আৰু মূল্যবোধক লৈ গৌৰৱ কৰিবলৈও আহ্বান জনায়। পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ বাবে চৰকাৰে লোৱা সিদ্ধান্ত সন্দৰ্ভত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাষা কেৱল কথা-বতৰাৰ মাধ্যম নহয়, ই সভ্যতা আৰু সংস্কৃতিৰো ভেটি। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিছে আৰু ই এইবাৰ অভিধম্মা দিৱস উদযাপনক ঐতিহাসিক কৰি তুলিছে। তেওঁ কয় যে পালি ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াটো ভগৱান বুদ্ধৰ মহান ঐতিহ্যৰ প্ৰতি সন্মান।

দেশৰ চহকী ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণৰ বাবে চৰকাৰে চলাই থকা প্ৰচেষ্টাৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে বিশ্বৰ বিভিন্ন দেশৰ ৬০০টা প্ৰাচীন সামগ্ৰী আৰু ধ্বংসাৱশেষ দেশলৈ ঘূৰাই অনা হৈছে। আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে কয় যে ধম্মা মানে বুদ্ধৰ বাৰ্তা, বুদ্ধৰ নীতি আৰু মানৱ অস্তিত্বৰ সৈতে জড়িত প্ৰশ্নৰ সমাধান। অভিধম্মা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীয়ে ভগৱান বুদ্ধৰ অনুগামীসকলৰ লগতে দেশবাসীলৈ  শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে, ভাৰত আৰু মলাৱিৰ মাজত সোহাৰ্দ্য আৰু বন্ধুত্বপূৰ্ণ দ্বিপাক্ষীক সম্পৰ্ক আছে। লিলোংগ্ৱেত ভাৰত মলাৱি ব্যৱসায় সন্মিলনত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতে ১৯৬৪ চনত মলাৱিৰ স্বাধীনতা লাভৰ ঠিক পাছত দেশখনৰ সৈতে কূটনৈতিক সম্পৰ্ক স্থাপন কৰা প্ৰথম ৰাষ্ট্ৰ আছিল। তেওঁ লগতে দেশ দুখনৰ মাজৰ বাণিজ্যিক সম্পৰ্ক ঐতিহাসিক বুলি অভিহিত কৰে। ভাৰত সম্প্ৰতি মলাৱিৰ চতুৰ্থ সৰ্ববৃহৎ ব্যৱসায়িক সহযোগী আৰু দেশখনৰ বাবে সৰ্ববৃহৎ বিনিয়োগকাৰীসকলৰ অন্যতম। ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ দুখন ভালেমান ক্ষেত্ৰত সম্পৰ্ক গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিব পাৰে বুলি মন্তব্য কৰে।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিখন আফ্ৰিকীয় ৰাষ্ট্ৰ ভ্ৰমণৰ সপ্তাহজোৰা ভ্ৰমণসূচীৰ তৃতীয় তথা অন্তিম পৰ্যায়ত মলাৱিত উপস্থিত হয়। এয়া কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথম মলাৱি ভ্ৰমণ।  দেশখনত উপস্থিত হোৱাৰ সময়ত ৰাষ্ট্ৰপতি মুৰ্মুক বিপুলভাৱে আদৰণি জনোৱা হয়। ভ্ৰমণকালত শ্ৰীমতী মুৰ্মু কেইবাখনো দ্বিপাক্ষিক বৈঠকত  মিলিত হ'ব আৰু দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব।

০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি সংখ্যাগৰিষ্ঠ ৰায়দানেৰে অসমত প্ৰব্ৰজনকাৰীসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ সৈতে জড়িত নাগৰিকত্ব আইনৰ ৬ (ক) ধাৰাৰ সাংবিধানিক বৈধতা বাহাল ৰাখে। মুখ্য ন্যায়াধীশ, ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ এখন পাঁচজনীয়া বিচাৰপীঠে অসম চুক্তি অবৈধ প্ৰব্ৰজন সমস্যা, ৰাজনৈতিক সমাধান বুলি উল্লেখ কৰে। ন্যায়াধীশ সূৰ্যকান্ত, এম এম সুৰেশ আৰু মনোজ মিশ্ৰাই নিজৰ ৰায়ত কয় যে, সংসদৰ এই ব্যৱস্থা কাৰ্যকৰী কৰাৰ বিধায়িনী ক্ষমতা আছিল। অসম চুক্তি সম্পাদনাৰ পাছত ১৯৮৫ চনত নাগৰিকত্ব আইনত ৬ (ক) ধাৰা সংযোজন কৰা হৈছিল। ইয়াৰ অধীনত অসমৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছিল আৰু সেই ব্যৱস্থা অনুসৰি ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পূৰ্বে বাংলাদেশৰ পৰা অহা ভাৰতীয় মূলৰ লোকসকলক ভাৰতীয় নাগৰিক হিচাপে গণ্য কৰা হৈছিল। এই ধাৰাত ১৯৬৬ চনৰ পহিলা জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চৰ ভিতৰত অসমলৈ অহা ভাৰতীয় মূলৰ লোকসকলৰ বাবে পঞ্জীয়ন কৰাটো আৱশ্যক বুলি কোৱা হৈছিল। এনে লোকসকলক ১০ বছৰ পৰ্যান্ত ভাৰতত বাস কৰাৰ পাছতহে নাগৰিকত্ব প্ৰদান কৰা হৈছিল। অৱশ্যে ৬ (ক) ধাৰাত ১৯৭১ চনৰ ২৫ মাৰ্চক নিৰ্দিষ্ট সময়সীমা হিচাপে উল্লেখ কৰি ইয়াৰ পাছত অহা লোকসকলক অবৈধ প্ৰব্ৰজনকাৰী বুলি গণ্য কৰা হ'ব বুলি কোৱা হৈছিল। অসমৰ একাংশ থলুৱা গোটে এই ব্যৱস্থাই বাংলাদেশৰ পৰা প্ৰব্ৰজনকাৰীসকলৰ অবৈধ অনুপ্ৰৱেশক বৈধ কৰি তুলিব বুলি উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে  প্ৰত্যাহ্বান জনাইছিল।

০০০০০০০

বিজেপি নেতা নায়ব সিং ছইনিকে আজি পঞ্চকুলাৰ শ্বালিমাৰ গাৰ্ডেনত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত দ্বিতীয়বাৰৰ বাবে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত লয়। হাৰিয়ানাৰ ৰাজ্যপাল বাণ্ডাৰু দত্তাত্ৰেয়ই তেওঁক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰায়। শ্ৰী নায়ব সিঙৰ সৈতে ১৩ গৰাকী বিধায়কে কেবিনেট আৰু ৰাজ্য মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, অমিত শ্বাহ, নিতীন গাডকাৰী, মনোহৰ লাল, লাল্লন সিং, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ প্ৰমুখ্যে বিজেপি শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু এন ডি এ মিত্ৰজোঁটৰ ভালেসংখ্যক নেতা উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা নায়ব সিং ছইনিক অভিনন্দন জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে, হাৰিয়ানা চৰকাৰৰ সুপ্ৰশাসন আৰু অভিজ্ঞতাৰ সমাহাৰ দেখিবলৈ পোৱা গৈছে আৰু এই সংযোজনে ৰাজ্যখনক উন্নয়নৰ নতুন শিখৰলৈ লৈ যাব। তেওঁ লগতে দ্বৈত ইঞ্জিনযুক্ত চৰকাৰখনে দুখীয়া, কৃষক, সৈনিক, যুৱ প্ৰজন্ম আৰু মহিলাকে ধৰি সমাজৰ সকলো লোকলৈ সেৱা আগবঢ়োৱাৰ বাবে চেষ্টাৰ অকনো ত্ৰুতি নকৰে বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

বিদেশ আৰু বস্ত্ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি ত্ৰিপুৰাৰ খোৱাই জিলাত ৰূপায়িত শিক্ষা, স্বাস্থ্য সেৱা, যোগাযোগসহ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা চলায়। পৰ্যালোচনা বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে, পূৰ্বতে উত্তৰ-পূৰ্বাঞ্চলক প্ৰান্তীয় অঞ্চল হিচাপে গণ্য কৰা হৈছিল যদিও এন ডি এ চৰকাৰে ত্ৰিপুৰাসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক কেন্দ্ৰলৈ লৈ আহিছে। মন্ত্ৰীগৰাকীয়ে লগতে খোৱাই জিলাৰ তুলাশিখৰ উন্নয়ন খণ্ডৰ অধীনৰ চম্পাছেৰ্ৰাত এটা উন্নত অংগনবাড়ী কেন্দ্ৰ মুকলি কৰে। শ্ৰী মাৰ্ঘেৰিটা তিনি দিনীয়া ত্ৰিপুৰা ভ্ৰমণসূচীৰে কালি আগৰতলাত উপস্থিত হয়।

০০০০০০০

বিহাৰৰ ছিৱান আৰু ছাৰন জিলাত বিষাক্ত সুৰা পান কৰাৰ ফলত কালি কমেও ২৪ জন লোকে প্ৰাণ হেৰুৱায় আৰু ১৫ জন গুৰুতৰভাৱে অসুস্থ হৈ পৰে। চৰকাৰী সূত্ৰৰ পৰা জানিব পৰা মতে ছিৱানত ২০ জন আৰু ছাৰন জিলাত ৪ জন লোকে প্ৰাণ হেৰুৱায়। মৃত লোককেইজন ভগলপুৰহাট আৰু মছ্ৰখ আৰক্ষী থানা এলেকাৰ অধীনৰ বিভিন্ন গাঁৱৰ বাসিন্দা বুলি জানিব পৰা গৈছে। আৰক্ষীৰ কেইবাটাও দলে প্ৰভাৱিত এলেকাত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ৰ বাবে ২৫ অক্টোবৰ মনোনয়পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। ২৮ অক্টোবৰত মনোনয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৰাজ্যখনত প্ৰথম পৰ্যায়ত ১৩ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ত ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

০০০০০০০

ভাৰতৰ ৰিৱান কাপুৰে দিল্লীত অনুষ্ঠিত আই এছ্ এছ্ এফ বিশ্বকাপ ফাইনেল শ্বুটি প্ৰতিযোগিতাৰ পুৰুষৰ ট্ৰেপ শিতানত ৰূপৰ পদক অৰ্জন কৰিছে। ৰিৱানে আজি ফাইনেলত ৪৪ পইণ্টেৰে দ্বিতীয় স্থান থাকে। এই শিতানত চীনৰ য়িং ক্যুই ৪৭ পইণ্টেৰে প্ৰথম স্থান আৰু তুৰস্কৰ তোলগাই ৩৫ পইণ্টেৰে তৃতীয় স্থান লাভ কৰে।

০০০০০০০

সমাপ্ত